Printed Pages—3

**3 (Sem–6) ASM M 2**

**2 0 1 5**

ASSAMESE

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) হেমচন্দ্ৰ বৰুৱাই হিন্দী বা ব্ৰজভাষা কাৰ পৰা শিকিছিল?

(খ) পুৰণি কামৰূপৰ দুখন পীঠৰ নাম লিখা।

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ কিমান চনত মৃত্যু হৈছিল?

(ঘ) প্ৰাচীন গ্ৰীচত দুটা প্ৰণালীৰে ল'ৰাক শিক্ষা দিছিল; এটা প্ৰণালীক স্পাৰ্টান, আনটোক কি কয়?

(ঙ) প্ৰাচীন ভাৰতৰ দুখন বিশ্ববিদ্যালয়ৰ নাম লিখা।

(চ) "One touch of nature makes the whole world kin." এইটো কাৰ উক্তি?

(ছ) গুণাভিৰাম বৰুৱাৰ দ্বাৰা ৰচিত অসমীয়া নাটকখনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যিক প্ৰচেষ্টাৰ তিনিটা স্ৰোত কি?

(খ) আমি যাক আসাম বুলি কও, পৌৰাণিক যুগত সেইখন কি কি ৰাজ্যৰ সমষ্টি আছিল?

(গ) "গড়ালত গুজৰি থকা সিংহৰ সৌন্দৰ্য, ইন্দ্ৰৰ নন্দন কাননত অবাধে বিচৰণ কৰা শিয়ালৰ নাই।" এই কথাষাৰৰ তাৎপৰ্য কি?

(ঘ) শ্ৰীধৰ স্বামীয়ে 'কৃষ্ণ' নামৰ পাৰিভাষিক অৰ্থ কেনেদৰে ব্যাখ্যা কৰিছে?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) নীলমণি ফুকনে 'সৌন্দৰ্যবোধ' নামৰ পাঠটোত আধ্যাত্মিক সৌন্দৰ্যৰ বিষয়ে কি বুলি কৈছে, উদাহৰণসহ চমুকৈ লিখা।

(খ) আমিয়েলৰ *Journal Intime* (আমিয়েলৰ 'অন্তঃপ্ৰাণৰ ডায়েৰী') গ্ৰন্থখনৰ এটি চমু পৰিচয় দিয়া।

(গ) হেমচন্দ্ৰ বৰুৱাই নিজে পুনঃবিবাহ নকৰাৰ সপক্ষে দাঙি ধৰা যুক্তিখিনি চমুকৈ লিখা।

(ঘ) প্ৰাচীন ৰোমদেশৰ শিক্ষাব্যৱস্থাৰ মূল বৈশিষ্ট্যকেইটা উল্লেখ কৰা।

(ঙ) গুণাভিৰামৰ 'ৰামনৱমী' নাটকত বিধবা-বিবাহ সংস্কাৰ আন্দোলনৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৩=৩০

(ক) বেজবৰুৱাই 'ব্ৰহ্ম সৎ', 'ব্ৰহ্ম চিৎস্বৰূপ' আৰু 'ব্ৰহ্ম আনন্দময়' বোলা কথাকেইষাৰ কিদৰে ব্যাখ্যা কৰিছে, তোমাৰ ভাষাৰে লিখা।

(খ) "ভাৰত বিধাতাৰ জ্যেষ্ঠ পুত্ৰ।" এই উক্তিটোৰ তাৎপৰ্য নিদৰ্শনসহ ব্যাখ্যা কৰা।

(গ) হেমচন্দ্ৰ গোস্বামীৰ সময়ৰ শিক্ষাব্যৱস্থাৰ সীমাৱদ্ধতা বা কেৰোণ আৰু সেইবোৰৰ সংস্কাৰ সম্পৰ্কত লেখকে কি মত দাঙি ধৰিছে, আলোচনা কৰা।

(ঘ) "সৌন্দৰ্যৰ স্থিতি নাই, ব্যাপ্তিহে আছে।" নীলমণি ফুকনৰ এই উক্তিটোৰ যথাযোগ্যতা বিচাৰ কৰা।

(ঙ) "ৰোমাণ্টিক আদৰ্শবাদ হাৱৈ, ফুলজাৰি আদিৰ দৰে খাৰ বাৰুদৰ খেলা। ৰোমাণ্টিক কাব্য পঢ়ি সোৱাদ যাগে, তাৰ ঝঙ্কাৰত অন্তৰত স্পন্দন অনুভূত হয়। কিন্তু সি কাৰ্যকৰী প্ৰেৰণা দিব নোৱাৰে।" আমিয়েলৰ ভূমাস্পৃহাক বাণীকান্ত কাকতিৰ এই উক্তিটোৰ আলমত বিচাৰ কৰা।

★★★